জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫২৮/২০২০

# বিশিষ্ট সংগীতজ্ঞ যজ্ঞ বেজবৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩ আগষ্ট ঃ** বিশিষ্ট সংগীতজ্ঞ, ৰাজ্য চৰকাৰৰ শিল্পী বঁটা প্ৰাপক যজ্ঞ বেজবৰুৱাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিতাৰে প্ৰয়াত যজ্ঞ বেজবৰুৱাই আমাৰ সাংস্কৃতিক জগতলৈ যি অনৱদ্য অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত বেজবৰুৱাই আমাৰ লোক সংস্কৃতিৰ জগতখনকো চহকী কৰি থৈ গৈছে। নতুন প্ৰজন্মক সংগীতৰ প্ৰতি ধাউতি বৃদ্ধি কৰিবলৈও তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। নগাঁও জিলাৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ ক্ষেত্ৰটো যথেষ্ট তেখেতে অৰিহণা যোগাই গৈছে। এই গৰাকী বিশিষ্ট সংগীতজ্ঞৰ বিয়োগ আমাৰ সমাজ তথা সাংস্কৃতিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত যজ্ঞ বেজবৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**৩/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in